# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 28-04-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীৰ তেওঁৰ বাসভৱনত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

২। ভাৰতে ২৬ খন ৰাফেল নৌ সেনা যুঁজাৰু বিমান কিনাৰ বাবে আজি ফ্ৰান্সৰ সৈতে এখন প্ৰতিৰক্ষা চুক্তি সম্পন্ন কৰিব।

৩। পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰত-পাকিস্তানৰ তিক্ত সম্পৰ্কই চূড়ান্ত পৰ্যায় পোৱাৰ সময়তে ভাৰতে পাকিস্তানৰ ১৬ টা ইউ টিউব চেনেল নিষিদ্ধ ঘোষণা কৰিছে।

৪। জম্মু-কাশ্মীৰ বিধানসভাৰ আজি বিশেষ অধিৱেশনত পহলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণক নিন্দা কৰি প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে দুই মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাজস্থান ৰয়েলছ, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীৰ তেওঁৰ বাসভৱনত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ সৈতে প্ৰায় ৪০ মিনিট ধৰি আলোচনা কৰে। কালি প্ৰতিৰক্ষা মুৰব্বী, অৰ্থাৎ Chief of Defence Staff জেনেৰেল অনিল চৌহানে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰিছিল।

০০০০০০০০০

ভাৰতে ২৬ খন ৰাফেল নৌ সেনা যুঁজাৰু বিমান কিনাৰ বাবে আজি ফ্ৰান্সৰ সৈতে এখন প্ৰতিৰক্ষা চুক্তি সম্পন্ন কৰিব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বিষয়াবৰ্গ আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰদূত এই চুক্তি অনুষ্ঠানত উপস্থিত থাকিব। ভাৰতৰ ফালৰ পৰা প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে চুক্তিত স্বাক্ষৰ কৰাৰ আশা আছে।

এই ২৬ খন যুঁজাৰু বিমানৰ ভিতৰত ২২ খন হ'ব এজনীয়া আসন বিশিষ্ট আৰু বাকী ৪ খন হ'ব দুজনীয়া আসন বিশিষ্ট বিমান। ভাৰতীয় নৌ সেনাৰ প্ৰয়োজন অনুসৰি এই বিমান কেইখন নিৰ্মাণ কৰা হৈছে। এই বিমানসমূহ ভাৰতীয় নৌ সেনাৰ আই এন এছ্ বিক্ৰমাদিত্য আৰু আই এন এছ্ বিক্ৰান্তৰ দৰে যুদ্ধ জাহাজত সংলগ্ন কৰা হ'ব। আটাইকেইখন ৰাফেল বিমানতে অত্যাধুনিক অস্ত্ৰ ব্যৱস্থা আৰু ক্ষেপণাস্ত্ৰ মজুত থাকিব।

০০০০০০০০০

পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰত-পাকিস্তানৰ তিক্ত সম্পৰ্কই চূড়ান্ত পৰ্যায় পোৱাৰ সময়তে ভাৰতে পাকিস্তানৰ ১৬ টা ইউ টিউব চেনেল নিষিদ্ধ ঘোষণা কৰিছে। তীব্ৰ ভাৰত বিৰোধী প্ৰচাৰ চলোৱাৰ পৰিপ্ৰেক্ষিততে ভাৰত চৰকাৰে ডন নিউজ, ছামা টিভি, আৰি নিউজ আৰু জিঅ' নিউজকে ধৰি ১৬ টা ইউটিউব চেনেল নিষিদ্ধ কৰে। অভিযোগ অনুসৰি এই চেনেলসমূহে উদ্দেশ্য প্ৰণোদিতভাৱে সাম্প্ৰদায়িক বিষয়বস্তু প্ৰচাৰ কৰাৰ উপৰি ভাৰত তথা ভাৰতৰ সেনা বাহিনী আৰু সুৰক্ষা সংস্থাসমূহৰ বিষয়ে ভুৱা তথা বিভ্ৰান্তিমূলক বা-বাতৰি প্ৰচাৰ কৰি আছিল। এই নিষিদ্ধ চেনেলকেইটাৰ ৬ কোটি ৩০ লাখৰো অধিক ছাবছ্ক্ৰাইবাৰ আছিল।

ভাৰত চৰকাৰে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়ে বি বি চিয়ে প্ৰচাৰ কৰা বাতৰিতো তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই বিষয়ে চৰকাৰে বি বি চিৰ ভাৰতত থকা মুৰববীলৈ আনুষ্ঠানিক ভাবে পত্ৰ প্ৰেৰণ কৰিছে। অভিযোগ অনুসৰি বি বি চিয়ে সন্ত্ৰাসবাদীক  বিদ্ৰোহী বা উগ্ৰপন্থী হিচাপে অভিহিত কৰিছিল। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে বি বি চিয়ে পৰিৱেশন কৰি থকা বাতৰিত তীক্ষ্ণ নজৰ ৰাখিছে।

০০০০০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়, ইডিয়ে মধ্যপ্ৰদেশৰ ভূপাল, ইন্দোৰ আৰু মান্দছ'ৰৰ সুৰা ব্যৱসায়ীৰ ১১ টা স্থানত তালাচী অভিযান চলাইছে। মধ্যপ্ৰদেশ চৰকাৰে ২০১৫ৰ পৰা ২০১৮ চনৰ ভিতৰত জালিয়াতি আৰু ভুৱা ট্ৰেজাৰী চালানৰ জৰিয়তে ৪৯ কোটি টকা ৰাজহ হেৰুৱাবলগীয়া হৈছিল বুলি ৰুজু কৰা এটা গোচৰৰ অনুসন্ধানৰ অংশ হিচাপেই এই অভিযান চলোৱা হৈছে। তদন্তৰ তথ্য অনুসৰি ব্যৱসায়ীসকলে কম টকাৰ চালান প্ৰস্তুত কৰি আখৰেৰে লিখিবলগীয়া টকাৰ পৰিমাণৰ স্থান উকা কৰি ৰাখিছিল আৰু পাছত এই ঠাইত অধিক পৰিমাণৰ টকাৰ তথ্য দি পণ্যাগাৰ অথবা আবকাৰী কাৰ্যালয়ত দাখিল কৰিছিল।

০০০০০০০০০

বাংলাদেশ প্ৰশাসনে কৈছে, যে দেশখনে কাশ্মীৰক লৈ ভাৰত আৰু পাকিস্তানৰ মাজত থকা সমস্যাৰ শান্তিপূৰ্ণ সমাধান বিচাৰে। দক্ষিণ এছিয়া অঞ্চলত সুস্থিৰতা বৰ্তাই ৰখাৰ স্বাৰ্থত বাংলাদেশে দুয়োখন দেশৰ মাজত আলোচনা আৰু কূটনৈতিক কামকাজৰ পোষকতা কৰে। ঢাকাত কালি সংবাদ মাধ্যমক বাংলাদেশৰ তদৰ্থ চৰকাৰৰ বৈদেশিক পৰিক্ৰমা উপদেষ্টা তৌহিদ হোছেইনে কয়, যে ঢাকাই সমগ্ৰ দক্ষিণ এছিয়াত শান্তি বিৰাজ কৰাটো বিচাৰে।

০০০০০০০০০

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে দিয়া আগজাননী অনুসৰি আজি অসমকে ধৰি মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আৰু কেৰালাৰ কেতবোৰ স্থানৰ লগতে পশ্চিমবংগৰ গংগা অৱবাহিকা অঞ্চলত প্ৰবল বৰষুণ হ'ব। আকাশবাণীক বতৰ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী ড০ আৰ কে জেনামানিয়ে জনোৱা অনুসৰি ৰাজস্থান, পঞ্জাব আৰু হাৰিয়ানাৰ বাহিৰে দেশৰ বাকীবোৰ অঞ্চলত তাপমাত্ৰ স্বাভাৱিক অথবা স্বাভাৱিকৰ ওপৰত থাকিব।

০০০০০০০০০

জম্মু-কাশ্মীৰ বিধানসভাৰ আজি বিশেষ অধিৱেশন অনুষ্ঠিত হৈছে। সদনত যোৱা সপ্তাহত পহলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত মৃত্যু হোৱা ২৬ জন লোকৰ সোঁৱৰণত দুই মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি জম্মুত হোৱা এই বিশেষ অধিৱেশনত বিধানসভাৰ অধ্যক্ষ আব্দুল ৰহিম ৰাথেৰে দেশৰ ভিন্ন প্ৰান্তৰ পৰা অহা পৰ্যটকসকলক হত্যা কৰা ঘটনাক কঠোৰ ভাষাৰে

গৰিহণা দিয়ে। তাৰ পাছতে তেওঁ দুই মিনিট মৌন প্ৰাৰ্থনা ঘোষণা কৰে। চৰকাৰৰ হৈ উপ-মুখ্যমন্ত্ৰী সুৰিন্দৰ চৌধাৰীয়ে পৰ্যটকৰ ওপৰত হোৱা বৰ্বৰ আৰু অমানৱীয় আক্ৰমণক ধিক্কাৰ দি এটা প্ৰস্তাৱ উত্থাপন কৰে আৰু সদনে এই প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰস্তাৱৰ জৰিয়তে জম্মু-কাশ্মীৰত শান্তি, সংহতি আৰু সাম্প্ৰদায়িক সমন্বয় বিঘ্নিত কৰিব খোজা শক্তিক সকীয়াই দিয়া হয়। বিধানসভাই দেশৰ সকলো নাগৰিকৰ শান্তি, সমৃদ্ধি আৰু বিকাশ সুনিশ্চিত হোৱাত গুৰুত্ব দি দেশ আৰু জম্মু-কাশ্মীৰৰ প্ৰগতিত বাৰম্বাৰ বাধা দি অহা অপশক্তিক মষিমূৰ কৰাৰ আহ্বান জনায়।

০০০০০০০০০

আমেৰিকাৰ শুল্ক আৰু সংলগ্নকৰণৰ ভাবুকিয়ে ম্লান কৰি পেলোৱা দেশখনৰ গুৰুত্বপূৰ্ণ নিৰ্বাচনৰ বাবে আজি কানাডাৰ নাগৰিকসকলে নিৰ্বাচনত ভোটদান কৰিব। ভাৰতীয় সময় অনুসৰি আজি সন্ধিয়া ছয় বজাত নিউফাউণ্ডলেণ্ড আৰু লেব্ৰাডৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু কাইলৈ পুৱা আঠ বজাত ব্ৰিটিছ ক'ল'ম্বিয়াত এই ভোটগ্ৰহণৰ সামৰণি পৰিব । ইতিমধ্যে কানাডাৰ ৭০ লাখৰো অধিক লোকে আগতীয়াকৈ ভোটদান কৰিছে । বছৰৰ আৰম্ভণিতে কনজাৰ্ভেটিভ ৰাজনৈতিক দলটোৱে সহজেই জয়ী হ'ব বুলি আশা কৰা হৈছিল যদিও ট্ৰাম্পৰ শুল্ক আৰু মন্তব্যই কানাডাৰ ৰাজনৈতিক পৰিৱেশ সলনি কৰি দিয়ে । ইয়াৰ পাছতেই কানাডাত জাতীয়তাবাদৰ উত্থান ঘটে। ৩৬ দিনীয়া প্ৰচাৰ অভিযানৰ সময়ত মাৰ্ক কাৰ্নেৰ লিবাৰেল দলে ট্ৰাম্পে সৃষ্টি কৰা ভাবুকিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে কানাডাই ব্ৰিটেইন আৰু ইউৰোপীয় ইউনিয়নৰ দৰে নিৰ্ভৰযোগ্য বাণিজ্যিক অংশীদাৰ দেশৰ সৈতে সম্পৰ্ক শক্তিশালী কৰিব লাগে।

০০০০০০০০০

ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধত ৰাছিয়াক সহায় কৰিবলৈ সৈন্য প্ৰেৰণ কৰিছিল বুলি উত্তৰ কোৰিয়াই প্ৰথমবাৰৰ বাবে আনুষ্ঠানিকভাৱে স্বীকাৰ কৰিছে। উত্তৰ কোৰিয়াৰ চৰকাৰী সংবাদ মাধ্যম কে চি এন এ ৰ মতে,নেতা কিম জং উনৰ নিৰ্দেশ অনুসৰি উত্তৰ কোৰিয়াৰ সৈন্যই ৰাছিয়াৰ বাহিনীক কুৰ্স্ক সীমান্ত অঞ্চল সম্পূৰ্ণৰূপে মুক্ত কৰাত সহায় কৰিছিল।

ৰাছিয়াৰ শীৰ্ষ জেনেৰেল ভেলেৰী গেৰাচিমোভে উত্তৰ কোৰিয়াৰ সেনাবাহিনীৰ বীৰত্বৰ প্ৰশংসা কৰি ৰাজহুৱাভাৱে কোৰিয়াৰ সেনাবাহিনী জড়িত থকাৰ কথা স্বীকাৰ কৰে । মস্কোৱে দেশখনৰ পশ্চিম কুৰ্স্ক অঞ্চলৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ লাভ কৰিছে বুলি গেৰাচিমোভে দাবী কৰে । ইপিনে,ইউক্ৰেইনে ৰাছিয়াই কুৰ্স্ক অঞ্চল সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰাৰ দাবী নাকচ কৰে । উত্তৰ কোৰিয়াৰ স্বীকাৰোক্তিৰ প্ৰতিক্ৰিয়া স্বৰূপে আমেৰিকাই

কয় যে পিয়ংয়াঙে সংঘাটক ইন্ধন যোগোৱাৰ দায়িত্ব ল'ব লাগিব । ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধত সেনাবাহিনী প্ৰেৰণ ৰাছিয়াৰ সৈতে হোৱা পাৰস্পৰিক প্ৰতিৰক্ষা চুক্তিৰ এটা অংশ বুলি উত্তৰ কোৰিয়াই উল্লেখ কৰে । কিম জন উঙে সেনাসকলক বীৰ আখ্যা দি কয় যে তেওঁলোকৰ সাহসী কাৰ্যই দুয়োখন দেশৰ মাজৰ মিত্ৰতা শক্তিশালী কৰিব।

000000000

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **ৰোগ প্ৰতিৰোধত প্ৰতিষেধকৰ ভূমিকা** সন্দৰ্ভত বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ৰাষ্ট্ৰীয় প্ৰতিষেধক কাৰিকৰী উপদেষ্টা গোটৰ অধ্যক্ষ ডাঃ এন কে আৰোৰা আৰু নতুন দিল্লীৰ স্বামী দয়ানন্দ হস্পিতালৰ শিশুৰোগ আৰু নৱজাতক বিভাগৰ মুৰব্বী ডাঃ সুৰেন্দ্ৰ সিং বিষ্টে অংশগ্ৰহণ কৰিব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰে কথা পাতিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰ আৰু askair hastag ৰ x হেণ্ডেলত প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছোৱাই মানসিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কালি নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৬ উইকেটত পৰাজিত কৰে। দেলহী কেপিটেলছে বান্ধি দিয়া ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৮ অভাৰ আৰু ৩টা বলতেই ৪ উইকেটৰ বিনিময়ত ১৬৫ ৰান কৰি বিজয় লক্ষ্যত উপনীত হয়। আন এখন খেলত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়ণ্টছক ৫৪ ৰানত পৰাস্ত কৰে।

000000000

সমাপ্ত